NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি লাডাখৰ ছিয়াচেন বেছ কেম্প পৰিদৰ্শন কৰে।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি কয় যে, বিশ্বৰ মানচিত্ৰত ভাৰতে বিজ্ঞানৰ ক্ষেত্ৰত পূৰ্বৰ গৌৰৱ অৰ্জন কৰাৰ দিশত আগবাঢ়িছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটিং ছিষ্টেম আৰু এটা উচ্চ ক্ষমতাসম্পন্ন কম্পিউটিং ছিষ্টেম মুকলি কৰে।

৪। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি এমানুৱেল মেক্ৰ'ৰে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে ভাৰতৰ অন্তৰ্ভুক্তিৰ সপক্ষে মত পোষণ কৰিছে।

*আৰু*

৫। ভাৰতৰ কিদাম্বি শ্ৰীকান্তে মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি লাডাখৰ ছিয়াচেন বেছ কেম্প পৰিদৰ্শন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছিয়াচেন হিমবাহত কৰ্তব্যত নিয়োজিত বিষয়া আৰু সেনাবাহিনীৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে প্ৰতিকূল পৰিৱেশৰ মাজতো প্ৰত্যাহ্বানসমূহ নেওচি দেশৰ সুৰক্ষাৰ বাবে সেনাবাহিনীৰ জোৱানসকলে সাহসেৰে সেৱা আগবঢ়োৱা কাৰ্যক প্ৰশংসা কৰে। তেওঁ লগতে ছিয়াচেন হিমবাহত কৰ্তব্যত নিয়োজিত সেনাবাহিনীৰ লোকসকলৰ পৰিয়াল আৰু আত্মীয়সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী মুৰ্মুৰে লগতে ছিয়াচেন বেছ যুদ্ধ স্মাৰকত বীৰ যোদ্ধাসকলৰ শপতগ্ৰহণ অনুষ্ঠানত বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু হৈছে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ এ পি জে আব্দুল কালাম আৰু ৰামনাথ কোবিন্দৰ পাছত ছিয়াচেন হিমবাহ পৰিদৰ্শন কৰা তৃতীয়গৰাকী ৰাষ্ট্ৰপতি। ছিয়াচেন হিমবাহ হৈছে ভাৰতীয় সেনা বাহিনীৰ অপাৰেচন মেঘদূতৰ অধীনত ১৯৮৪ চনৰ পৰা বিশ্বৰ সবাতোকৈ অধিক উচ্চতাত অৱস্থিত কাৰাকুৰাম খণ্ডৰ সামৰিক অঞ্চল।

০০০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি কয় যে, বিশ্বৰ মানচিত্ৰত ভাৰতে বিজ্ঞানৰ ক্ষেত্ৰত পূৰ্বৰ গৌৰৱ অৰ্জন কৰাৰ দিশত আগবাঢ়িছে। নতুন দিল্লীত আজি ৮৩ সংখ্যক চি এছ আই আৰ প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি হিচাপে সম্বোধন কৰি শ্ৰী ধনখড়ে কয় যে, অতীতত ভাৰতৰ বৈজ্ঞানিক দিশত থকা প্ৰজ্ঞাই বিশ্বক গৌৰৱান্বিত কৰিছিল। তেওঁ কয় যে, বিগত কেইটামান বৰ্ষত বৈজ্ঞানিক সম্প্ৰদায়ে বিশেষ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰভাৱে বৈজ্ঞানিক সম্প্ৰদায়ৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে। তেওঁ কয় যে, দেশৰ প্ৰতিভাসমূহক বিকশাই তুলি দেশৰ প্ৰতি অৱদান আগবঢ়োৱাৰ বাবে বৈজ্ঞানিক সম্প্ৰদায়ে বৰ্তমান সময়ত এটা অৰ্থব্যৱস্থা গঢ়ি তুলিছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ বুনিয়াদ গঢ়ি তোলাৰ ক্ষেত্ৰত চি এছ আই আৰৰ কামকাজক প্ৰশংসা কৰিছে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এখন প্ৰদৰ্শনী মুকলি কৰে। তেওঁ লগতে এই উপলক্ষে প্ৰয়াত মাতৃৰ স্মৃতিত এজোপা গছপুলি ৰোপণ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়াৰ ভাগত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পুনেত বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটিং ছিষ্টেম আৰু এটা উচ্চ ক্ষমতাসম্পন্ন কম্পিউটিং ছিষ্টেম মুকলি কৰে। অনুষ্ঠানত শ্ৰী মোদীয়ে কয় যে, এই নতুন ছুপাৰ কম্পিউটাৰ আৰু এইচ পি চি ছিষ্টেমৰ প্ৰয়োগৰ জৰিয়তে, বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত কম্পিউটিং আৰু অন্বেষণৰ দিশত ভাৰতে আত্মনিৰ্ভৰশীলতা অৰ্জনৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনত আজিৰ দিনটো ভাৰতৰ বাবে অন্যতম সফলতাৰ দিন বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে, তিনিওটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষে থলুৱাভাৱে বিকশাই তোলা হৈছে। এই ছুপাৰ কম্পিউটাৰসমূহ আগশাৰীৰ বৈজ্ঞানিক গৱেষণাক আগুৱাই নিবলৈ পুনে, দিল্লী আৰু কলকাতাত ব্যৱহাৰ কৰা হ'ব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ জনসাধাৰণে ৰাজ্যখনত পুনৰ বিজেপিক সেৱা কৰাৰ সুবিধা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে। ভিডিঅ' কনফাৰেন্স মাধ্যমেৰে হাৰিয়ানাৰ বিজেপিৰ বুথ কৰ্মকৰ্তাসকলক সম্বোধন কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰতীয় জনতাপাৰ্টীয়ে ৰাজ্যখনত দুৰ্নীতিমুক্ত সেৱা প্ৰদান কৰি আছে। তেওঁ কোনো ধৰণৰ অসাধু পন্থা অৱলম্বন নকৰাকৈ ৰাজ্যখনৰ যুৱ প্ৰজন্মই নিয়োগৰ সুবিধা লাভ কৰিছে বুলি অৱগত কৰে। কংগ্ৰেছক সমালোচনা কৰি শ্ৰী মোদীয়ে দলটোৱে সকলোৰে মাজত মতানৈক্য, বিভেদ আৰু অন্তদণ্ডৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, এনেধৰণৰ দলে হাৰিয়ানাৰ জনসাধাৰণৰ আস্থা কেতিয়াও লাভ নকৰে বুলি অৱগত কৰে।

০০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নিবনুৱা সমস্যা আৰু কৃষকৰ বাবে উৎপাদিত শস্যৰ নূন্যতম সমৰ্থন মূল্যৰ সন্দৰ্ভত বিজেপিক সমালোচনা কৰিছে। আজি হাৰিয়ানাৰ কৰ্নাল জিলাৰ আছান্ধ বিধানসভা সমষ্টিত আয়োজিত কংগ্ৰেছৰ বিজয় সংকল্প শোভাযাত্ৰাত শ্ৰী গান্ধীয়ে ৰাজ্যখনৰ যুৱক-যুৱতীসকলে কৰ্মসংস্থাপনহীনতাৰ ফলত বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপন কৰে। আনহাতে নূন্যতম সমৰ্থন মূল্য সন্দৰ্ভত তেওঁ কয় যে, বিজেপি চৰকাৰে কৃষকসকলক ঋণ ৰেহাইৰ সকাহ প্ৰদান কৰাত ব্যৰ্থ হৈছে। কংগ্ৰেছ দলৰ নিৰ্বাচনী ইস্তাহাৰৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ ওপৰত আলোকপাত কৰি শ্ৰী গান্ধীয়ে কয় যে, ক্ষমতালৈ আহিলে কংগ্ৰেছে হাৰিয়ানাত ৩০০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুৎ আৰু মহিলাসকলক দুহেজাৰ টকাকৈ পেন্সন প্ৰদান কৰিব।

আজিৰ নিৰ্বাচনী সভাত হাৰিয়ানা কংগ্ৰেছৰ মুৰববী উদয় ভান, হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুদা, কংগ্ৰেছৰ সাংসদ কুমাৰী ছেলজা আৰু আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০০০০

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি এমানুৱেল মেক্ৰ'ৱে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে ভাৰতৰ অন্তৰ্ভুক্তিৰ সপক্ষে মত পোষণ কৰিছে। নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৭৯ সংখ্যক অধিবেশনৰ সাধাৰণ বিতৰ্কত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে বিষয়টোৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

শ্ৰী মেক্ৰৱে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰত, জাৰ্মানী, ব্ৰাজিল, জাপান আৰু কমেও দুখন আফ্ৰিকীয় ৰাষ্ট্ৰ অন্তৰ্ভুক্ত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে ৰাষ্ট্ৰসংঘক অধিক প্ৰভাৰশালী আৰু প্ৰতিনিধিত্বমূলক কৰি তোলাৰ বাবে ৰাষ্ট্ৰসংঘৰ ভিতৰত কেইবাটাও সংস্কাৰ সাধনৰ প্ৰয়োজনীয়তা থকাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জো বাইডেন, ৰাছিয়াৰ বিদেশ মন্ত্ৰী চাৰ্গেই লেভৰোভ আৰু ছিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বৰিক ফণ্টেও ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে সন্ত্ৰাসবাদক নিৰ্মূল কৰা হৈছে আৰু ইয়াক পুনৰুত্থানৰ কোনো সুযোগ দিয়া নহ'ব। তেওঁ লগতে বিজেপিৰ কাৰ্যকালত সন্ত্ৰাসবাদ মুক্ত অঞ্চলৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি জম্মু আৰু কাশ্মীৰৰ উধমপুৰ জিলাৰ ছেনানি অঞ্চলত এখন নিৰ্বাচনী প্ৰচাৰ সভাক সম্বোধন কৰি শ্ৰী শ্বাহে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নেতাগৰাকীয়ে আজি উধমপুৰ, কথুৱা আৰু জম্মুত পাঁচখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰা কথা।

০০০০০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ অহা ১ অক্টোবৰত অনুষ্ঠিত হ'বলগা তৃতীয় তথা চূড়ান্ত পৰ্যায়ত ১১ খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। জম্মু জিলাৰ ১১ টা সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত মুঠ ১২ লাখ ৯৭৭ গৰাকী ভোটাৰে ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগে জিলাখনত এহেজাৰ ৪৯৪ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰিব। এই পৰ্যায়ৰ নিৰ্বাচনত ৪৭ হাজাৰ ৯৬৩ গৰাকী ভোটাৰে প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিব।

০০০০০০০

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে সমগ্ৰ ৰাষ্ট্ৰজুৰি ৯ কোটি লাখৰো অধিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুষ্টিহীনতা ৰোধ কৰা আৰু সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে এই বাৰ্ষিক অভিযানৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে এক কোটি ৮৮ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে শিশুৰ বিকাশ নিৰীক্ষণৰ লক্ষ্যৰে এক কোটি ৬৮ লাখ আৰু পৰিপূৰক মাতৃ দুগ্ধপানক লৈ এক কোটি ৪৫ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইপিনে এই অভিযানৰ **পোষণ ভী পঢ়াই ভী** অৰ্থাৎ পুষ্টিৰ লগতে অধ্যয়ন কাৰ্যসূচীৰ অধীনত এক কোটি ৫৯ লাখ কাৰ্যসূচী অনুষ্ঠিত হয়। অন্যান্য কাৰ্যসূচী যেনে জন সজাগতা, পৰিৱেশ সুৰক্ষাকে ধৰি বিভিন্ন বিষয়টো জনসাধাৰণক সচেতন কৰি তুলিবলৈ

অনুষ্ঠানৰ আয়োজন কৰা হয়। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানৰ অধীনত কাৰ্য ৰূপায়ণত মহাৰাষ্ট্ৰ, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, গুজৰাট আৰু অন্ধ্ৰপ্ৰদেশ শীৰ্ষ স্থানত আছে।

০০০০০০০

ভাৰতৰ কিদাম্বি শ্ৰীকান্তে মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ আজি প্ৰী-কোৱাৰ্টাৰ ফাইনেলত স্বদেশৰে প্ৰতিদ্বন্দ্বী আয়ুস ছেট্টীক ২১-১৩, ২১-১৮ গেমত পৰাস্ত কৰে। একেদৰে মহিলাৰ ডাব্‌লছ শাখাৰ ৰাউণ্ড অৱ ছিক্সটিন পৰ্যায়ৰ এখন খেলত আজি ভাৰতৰ তৃতীয় বাছনিৰ যুটি গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলীয়ে টাইৱানৰ লীন চি চুন আৰু টেং চুন ছুনক ২২-২০, ২১-১১ গেমত পৰাস্ত কৰে। আনহাতে, প্ৰতিযোগিতাৰ মহিলাৰ ছিংগল্‌ছ শাখাত ভাৰতৰ তছনিম মীৰ বিশ্বৰ চতুৰ্থ বাছনিৰ খেলুৱৈ জাপানৰ টম'কা মিয়াজাকিৰ বিৰুদ্ধে ১৭-২১, ২১-১৩, ১০-২১ গেমত পৰাস্ত হয়।

০০০০০০০

সমাপ্ত